জাগ্রত জনতাৰ অতন্দ্ৰ প্ৰহৰী

আমি অসমৰ জনগণ

2014/56968 | Follow us on @ আমি অসমৰ জনগণ | গুৱাহাটীৰ পৰা প্ৰকাশিত | Follow us on @ আমি অসমৰ জনগণ | e-paper

২২৯ ● ২৮ আহিন, ১৯৪১ শক ● বুধবাৰ, ১৬ অক্টোবৰ, ২০১৯ ● Aami Asomor Janagan, Vol-VI, No -229, Guwahati, Wednesday, 16 October, 2019 পৃষ্ঠা ১২

বৃদ্ধাশ্রমৰ মাৰ সৈতে মাৰ দর্শন অনুষ্ঠানত মাদার্ছ অ'ল্ড এজ হোমৰ মাতৃসকলক সম্বর্ধনা অমৃত চিমেণ্টৰ

জনগণ সেৱা, গুৱাহাটী, ১৫ অক্টোবৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম প্ৰতিশ্রুতিসম্পন্ন চিমেণ্ট ব্রেণ্ড, অমৃত চিমেণ্ট এ অলপতে দুর্গা পূজাৰ সময়ছোৱাত গুৱাহাটীৰ মাদার্ছ অ'ল্ড এজ হোমৰ বৃদ্ধ মাতৃসকলক ওচৰৰ একাধিক পূজা পেণ্ডেললৈ লৈ গৈ পূজা চোৱাৰ সুবিধা কৰি দিয়ে। এইবছৰ অমৃত চিমেণ্টে সম্পূর্ণ ভিন্ন ধৰণে দুর্গা পূজা পালন কৰে, বিশেষকৈ আনন্দ আৰু স্ফূর্তি বিলোৱাৰ উদ্দেশ্য আগত ৰাখিয়েই এইবাৰৰ পূজা পালন কৰে অমৃত চিমেণ্টে। গুৱাহাটীৰ মাদার্ছ অ'ল্ড এজ হোমাৰ বৃদ্ধ ■ ১০ পৃষ্ঠাত

বৃদ্ধাশ্রমৰ মাৰ সৈতে মাৰ দর্শন অনুষ্ঠানত

মাতৃসকলৰ সৈতে আনন্দ উছাহেৰে পূজা পালন কৰে অমৃত চিমেণ্ট কর্তৃপক্ষই। 'বৃদ্ধাশ্রমৰ মাতৃসকলৰ সৈতে মাৰ দর্শন' শীর্ষক কার্যসূচীৰে অমৃত চিমেণ্টে অ'ল্ড এজ হোমৰ মাতৃসকলক এই পূজাৰ বতৰত কিছু মৰম-চেনেহ আৰু যত্ন প্রদান কৰাৰ চেষ্টা কৰিছে। এই অভিযানৰ অংশ হিচাপে অমৃত চিমেণ্টৰ এটা দলে গুৱাহাটীত থকা মাদার্ছ অ'ল্ড এজ হোমলৈ গৈ তাত থকা বৃদ্ধা মাতৃসকলক পৰম্পৰাগত অসমীয়া ফুলাম গামোচাৰে সম্বর্ধনা জনায় আৰু ইয়াৰ পাছতেই সমীপৰে বেলতলাৰ লক্ষ্মী মন্দিৰ দুর্গা পেণ্ডেললৈ তেওঁলোকক লৈ যোৱা হয়। ত্রিশগৰাকীতকৈও অধিক মাতৃক এই পূজা পেণ্ডেললৈ লৈ গৈ পূজা উপভোগ কৰোৱা হয়। উল্লেখ্য যে বেলতলাৰ লক্ষ্মী মন্দিৰ পূজা সমিতিয়েও আটাইকেইগৰাকী বৃদ্ধা মাতৃকেই অতি আদৰ সাদৰেৰে আপ্যায়ন কৰোৱায়। বিশেষভাবে নাম-কীর্তন আৰু ওজাপালি প্রদর্শনো কৰোৱা হয় এই বৃদ্ধা মাতৃসকলৰ মনোৰঞ্জনৰ বাবে। তেওঁলোকৰ শৈশৱৰ স্মৃতি ৰোমন্থনৰ সুযোগ দি বেলুন পুতলা আদিও উপহাৰ হিচাপে প্রদান কৰাৰ উপৰি পূজাথলীৰ সমীপৰ বিভিন্ন খাদ্যভাণ্ডাৰলৈ লৈ গৈ বিভিন্ন সুস্বাদু খাদ্যও পৰিবেশন কৰোৱা হয়। এই অনবদ্য উদ্যোগ সন্দর্ভত অমৃত চিমেণ্টৰ পৰিচালন সঞ্চালকপ্রদীপ বাগলাই কয়, পূজা বুলিলেই কেৱল আনন্দ আৰু আনন্দ। আমি আমাৰ পৰিয়ালৰ লগত আনন্দময় মুহূর্ত অতিবাহিত কৰো। কিন্তু আমি আমাৰ মাৰ সৈতে তেনেকৈ সময় অতিবাহিত কৰো নে? এনেবোৰ কাৰণতেই আমি এইবাৰ মাৰ সৈতে মাৰ দর্শন শীর্ষক কার্যসূচীৰ আয়োজন কৰিছিলো, আৰু দেশৰ প্রতিগৰাকী নাগৰিকক এনে উৎসৱৰ সময়ছোৱাত মাতৃসকলে কিমান সন্তানক বিচাৰে তাৰেই অনুভৱ দিয়াৰ এক প্রয়াস কৰিলো।" উল্লেখ্য যে এই বৃদ্ধাশ্রমৰ মাৰ সৈতে মাৰ দর্শন হৈছে অমৃত চিমেণ্টৰ 'মাৰ সৈতে মাৰ দর্শন' শীর্ষক অভিযানৰ এক পৰিবর্ধিত ৰূপ। এই অভিযান শাৰদীয় পূজাৰ বতৰৰ পূর্বেই আৰম্ভ কৰিছিল প্রতিষ্ঠানটোৱে। উৎসৱৰ সময়ছোৱাত কিমান ভাৰতীয়ই নিজৰ বয়োজ্যেষ্ঠ পিতৃ-মাতৃ বা অভিভাৱকৰ সৈতে সময় অতিবাহিত কৰে সেই প্রশ্নৰে এই অভিযান মুকলি কৰিছিল অমৃত চিমেণ্টে। দেৱী মাৰ বাবে চেনেহ-শ্রদ্ধা উথলি উঠা লোকসকলে নিজৰ জন্মদাত্রী মাৰ বাবে কিমান চেনেহ দেখুৱায় তাক উপস্থাপন কৰাৰ চেষ্টা কৰোৱাৰ বাবেই আৰম্ভ কৰা হৈছিল এই সমগ্র অভিযান। যিগৰাকী মাতৃয়ে সমগ্র জীৱন উছর্গাৰে সন্তানক মানুহ কৰি গঢ়ি তোলে, সেইগৰাকী মাতৃয়ে মৰম আৰু শ্রদ্ধা পোৱাৰ নিতান্তই যোগ্য, তাৰ লগতে নিজ সন্তানৰ পৰাও সময় আৰু মনোযোগ লাভ কৰাটোও নিতান্তই কাম্য। এই কার্যসূচীৰ অংশ হিচাপে অমৃত চিমেণ্টে মাৰ সৈতে মাৰ দর্শন শীর্ষক এক ছেলফী প্রতিযোগিতাৰো আয়োজন কৰে, য'ত মাকৰ সৈতে পূজা পেণ্ডেললৈ গৈ পূজা অর্চনা কৰাৰ ছেলফী প্রেৰণ কৰাৰ আহ্বান জনোৱা হৈছিল।